# মৰিগাঁও মহাবিদ্যালয় ছাত্র একতা সভাৰ নিৰ্বাচনী অধিসূচনা

**মৰিগাঁও মহাবিদ্যালয় (স্বায়ত্বশাসিত), মৰিগাঁও, অসম**

দিনাংক- ২৯-০৯-২০২৬

ইয়াৰ দ্বাৰা মৰিগাঁও মহাবিদ্যালয় (স্বায়ত্বশাসিত) ৰ সমূহ ছাত্ৰ-ছাত্ৰীকে জনোৱা হয় যে, মৰিগাঁও মহাবিদ্যালয় (স্বায়ত্বশাসিত) ছাত্ৰ একতা সভাৰ (২০২৬-২৭) বাৰ্ষিক নিৰ্বাচন অহা **১৬-১০-২০২৬** তাৰিখ **শুক্ৰবাৰে** অনুষ্ঠিত কৰা হ'ব। গতিকে তলত উল্লেখ কৰা বিষয়বাব সমূহৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰিব বিচৰা প্ৰাৰ্থীৰপৰা মনোনয়ন পত্ৰ আহ্বান কৰা হৈছে। ইচ্ছুক প্ৰাৰ্থীসকলক **আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষ (IQAC) ত** তথা **নিৰ্বাচন কমিটিৰ** কাৰ্যালয়ৰ পৰা তলত উল্লেখ কৰা তাৰিখত মনোনয়ন প্ৰ-পত্ৰ সংগ্ৰহ কৰিবলৈ জনোৱা হ'ল।

**ছাত্ৰ একতা সভাৰ বিষয়বাব সমূহ তলত উল্লেখ কৰা হ'ল-**

| | | | | | |
|---|---|---|---|---|---|
| ১ | সভাপতি | ৭ | সম্পাদক, সাংস্কৃতিক বিভাগ | ১৩ | সম্পাদক, ছাত্ৰ জিৰণী কোঠা |
| ২ | উপ-সভাপতি | ৮ | সম্পাদক, সংগীত | ১৪ | সম্পাদিকা, ছাত্ৰী জিৰণী কোঠা |
| ৩ | সাধাৰণ সম্পাদক | ৯ | সম্পাদক, আলোচনী | ১৫ | কাৰ্যকৰী সদস্য (কলা) |
| ৪ | সহকাৰী সাধাৰণ সম্পাদক | ১০ | সম্পাদক, তৰ্ক আৰু সাহিত্য | ১৬ | কাৰ্যকৰী সদস্য (বিজ্ঞান) |
| ৫ | সম্পাদক, ক্ৰীড়া (গুৰু) | ১১ | সম্পাদক, সমাজসেৱা | ১৭ | কাৰ্যকৰী সদস্য (বাণিজ্য, চি. এ.) |
| ৬ | সম্পাদক, ক্ৰীড়া (লঘু) | ১২ | সম্পাদক, ছাত্ৰ কল্যাণ নিধি | ১৮ | কাৰ্যকৰী সদস্য (স্নাতকোত্তৰ প্ৰথম বৰ্ষ) |

- **নিৰ্বাচনী** অধিসূচনা: **২৯-০৯-২০২৬**
- **মনোনয়ন পত্ৰ সংগ্ৰহ: -০১-১০-২০২৬ আৰু ০৩-১০-২০২৬**
- **মনোনয়ন পত্ৰ দাখিল: ১০-১০-২০২৬**
- **বৈধ মনোনয়ন পত্ৰৰ তালিকা প্ৰকাশ: ১০-১০-২০২৬**
- **মনোনয়ন প্ৰত্যাহাৰ: ১২-১০-২০২৬**
- **চুড়ান্ত প্ৰাৰ্থীৰ তালিকা প্ৰকাশ: ১২-১০-২০২৬**
- **নিৰ্বাচনৰ তাৰিখ- ১৬-১০-২০২৬**

**নিৰ্বাচন সম্পৰ্কীয় নিয়মাৱলী-**

১/ নিৰ্বাচনৰ অধিসূচনা ঘোষনা কৰাৰ লগে লগেই নিৰ্বাচনী আচৰণ বিধি প্ৰযোজ্য হ'ব।

২/ সভাপতি বিষয়বাবৰ বাবে স্নাতক মহলাৰ ৫ম অথবা ৭ম ষান্মাসিক অথবা স্নাতকোত্তৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী হ'ব লাগিব।

৩/ উপ-সভাপতি বিষয়বাবৰ বাবে স্নাতক মহলাৰ ৩য় ষান্মাসিক অথবা ৫ম ষান্মাসিক অথবা স্নাতকোত্তৰ ১ম ষান্মাসিকৰ ছাত্ৰ-ছাত্ৰী হ'ব লাগিব।

৪/ সাধাৰণ সম্পাদক বিষয়বাবৰ বাবে স্নাতক মহলাৰ ৩য় ষান্মাসিক অথবা ৫ম ষান্মাসিকৰ অথবা স্নাতকোত্তৰ ১ম ষান্মাসিকৰ ছাত্ৰ-ছাত্ৰী হ'ব লাগিব।

৫/ অনান্য বিভাগ সমূহৰ সম্পাদক পদৰ বাবে উচ্চতৰ মাধ্যমিক ১ম বাৰ্ষিক, স্নাতক ১ম ষান্মাসিক অথবা ৩য় ষান্মাসিক শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব পাৰিব।

৬/ বিগত সময়ত প্ৰতিদ্বন্দ্বিতা কৰা ছাত্ৰ-ছাত্ৰীয়ে ২০২৬-২৭ বৰ্ষত কোনো বিষয় বাবদ প্ৰতিদ্বন্দ্বিতা কৰিব নোৱাৰিব।

৭/ প্ৰতিদ্বন্দ্বিতা কৰিব খোজা প্ৰাৰ্থীয়ে কি পদত প্ৰতিদ্বন্দ্বিতা কৰিব উল্লেখ কৰি নিজৰ নাম, শ্ৰেণী, ৰোল নং আদি সন্নিৱিষ্ট কৰি এখন লিখিত আবেদনৰ জৰিয়তে নগদ ১৫০০/- (এক হাজাৰ পাচঁশ) টকা নিৰ্বাচন কমিটিৰ হাতত জমা দি মনোনয়ন পত্ৰ সংগ্ৰহ কৰিব পাৰিব।

৮/ ০১-১০-২০২৬ তাৰিখ বৃহস্পতিবাৰ আৰু ০৩-১০-২০২৬ তাৰিখ শনিবাৰে ৰাতিপুৱা ১০ বজাৰ পৰা আবেলি ৩ বজালৈ মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষ (IQAC) ত তথা নিৰ্বাচন কমিটিৰ কাৰ্যালয়ৰ পৰা মনোনয়ন পত্ৰ সংগ্ৰহ কৰিব পাৰিব।

৯/ প্ৰাৰ্থীসকলে সঠিক ভাবে পূৰকৰা মনোনয়ন পত্ৰসমূহ ১০-১০-২০২৬ তাৰিখ শনিবাৰে ৰাতিপুৱা ১০ বজাৰ পৰা বিয়লি ১ বজাৰ ভিতৰত নিৰ্বাচনী কাৰ্যালয়ত দাখিল কৰিব লাগিব।

১০/ মনোনয়ন পত্ৰসমূহ প্ৰাৰ্থীয়ে পৰিস্কাৰ হাতৰ আখৰেৰে লিখিব লাগিব। ইয়াৰোপৰি মনোনয়ন পত্ৰসমূহ পূৰ কৰোঁতে কোনো ধৰণৰ কটাকটি, অভাৰ লেপিং আৰু আখৰ মচিবলৈ কোনো ধৰণৰ সামগ্ৰী ব্যৱহাৰ কৰিলে মনোনয়ন প্ৰত্ৰ অবৈধ বুলি গণ্য কৰা হ'ব। পদ সমূহৰ নাম নিৰ্বাচনী নিয়মাৱলীত উল্লেখ থকা ধৰণেৰে লিখিব লাগিব।

১১/ মনোনয়ন পত্ৰৰ কোনো ফটোকপি গ্ৰহণ কৰা নহ'ব।

১২/ মনোনয়ন পত্ৰৰ সৈতে তলত উল্লেখ কৰা তথ্যপাতি জমা দিব লাগিব।

ক) মহাবিদ্যালয় পৰিচয় পত্ৰৰ প্ৰতিলিপি।

খ) প্ৰাৰ্থীসকলে মনোনয়ন পত্ৰৰ লগত ২০২৬ বৰ্ষৰ মহাবিদ্যালয়ত নামভৰ্তিৰ ৰছিদ গাঁঠি দিব লাগিব।

গ) প্ৰাৰ্থীৰ প্ৰস্তাৱক আৰু সমৰ্থকে ২০২৬ চনৰ মহাবিদ্যালয়ত নামভৰ্তিৰ ৰছিদ মনোনয়ন পত্ৰৰ লগত গাঁঠি দিব লাগিব।

ঘ) নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা ছাত্ৰ-ছাত্ৰীৰ লগতে প্ৰস্তাৱক/ সমৰ্থকৰ শ্ৰেণীৰ মূল বিষয়ত নূন্যতম ৭৫% উপস্থিতিৰ প্ৰমাণ পত্ৰ।

ঙ) বয়সৰ প্ৰমাণ পত্ৰ।

চ) নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ পিতৃ/ মাতৃ/ অভিভাৱকৰ অনুমতি পত্ৰৰ প্ৰতিলিপি।

ছ) মনোনয়ন প্ৰ-পত্ৰৰ লগত একপি নিজা শেহতীয়া পাচপোৰ্ট চাইজৰ ফটো গাঁঠি দিব লাগিব।

১৩/ ১০-১০-২০২৬ তাৰিখ শনিবাৰে মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব আৰু বিয়লি ৫ বজাত বৈধ মনোনয়ন পত্ৰৰ তালিকা প্ৰকাশ কৰা হ'ব।

১৪/ ১২-১০-২০২৬ তাৰিখ সোমবাৰে দুপৰীয়া ১২ বজাৰ পৰা বিয়লি ২ বজাৰ ভিতৰত মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰিব পাৰিব।

১৫/ ১২-১০-২০২৬ তাৰিখ সোমবাৰে বিয়লি ৫ বজাত চূড়ান্ত প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰা হ'ব।

১৬/ নিৰ্বাচনী প্ৰচাৰৰ বাবে মহাবিদ্যালয়ৰ চৌহদ বা দেৱালত কোনো প্ৰচাৰ পত্ৰ লগাব নোৱাৰিব।

১৭/ পাঠদান চলি থকা সময়ত শ্ৰেণীকোঠাত নিৰ্বাচনী প্ৰচাৰ কৰিব নোৱাৰিব।

১৮/ নিৰ্বাচনৰ সময়ত প্ৰতিজন প্ৰাৰ্থীয়ে দুজনকৈ নিৰ্বাচনী এজেণ্ট ভোট গ্ৰহণ কেন্দ্ৰত নিয়োগ কৰিব পাৰিব।

১৯/ ১৫-১০-২০২৬ তাৰিখ বুধবাৰে দিনৰ ১১ বজাত নিৰ্বাচনী সাধাৰণ সভা অনুষ্ঠিত হ'ব আৰু সেইদিনাই বিয়লি ৪ বজাত নিৰ্বাচনী প্ৰচাৰৰ অন্ত পৰিব।

২০/ নিৰ্বাচনৰ দিনা মহাবিদ্যালয় চৌহদৰ ভিতৰত কোনো নিৰ্বাচনী কাৰ্যালয় স্থাপন কৰিব নোৱাৰিব।

২১/ ১৬-১০-২০২৬ তাৰিখ শুক্ৰবাৰে পুৱা ৭ বজাৰ পৰা দিনৰ ১২ বজালৈ ভোট গ্ৰহণ অনুস্থিত হ'ব।

২২/ যি সকল ছাত্ৰ-ছাত্ৰীয়ে ২০২৬ চনত মহাবিদ্যালয়ত নামভৰ্তি কৰিছে তেওঁলোকৰহে ভোট দানৰ অধিকাৰ থাকিব।

২৩/ ভোট দাতা সকলে ভোট দিবলৈ আহোতে মহাবিদ্যালয়ৰ নিজা পৰিচয় পত্ৰ/ নামভৰ্ত্তি ৰচিদ প্ৰদৰ্শন কৰিব লাগিব আৰু ইউনিফৰ্ম পৰিধান কৰি আহিব লাগিব।

২৪/ ভোট গণনাৰ সময়ত মহাবিদ্যালয়ৰ ইউনিফৰ্ম পৰিহিত আৰু পৰিচয় পত্ৰ থকা ছাত্ৰ-ছাত্ৰীকহে ভোট গণনা গৃহত থাকিবলৈ দিয়া হ'ব। অন্য কোনো লোক ভোট গণনাৰ সময়ত ভোট গণনা গৃহত উপস্থিত থাকিব নোৱাৰিব।

২৫/ ভোট গণনা তথা নিৰ্বাচনৰ ফলাফলৰ ক্ষেত্ৰত কোনো অভিযোগ থাকিলে সেই ক্ষেত্ৰত নিৰ্বাচনী কমিটিক নিৰ্বাচন ফলাফল ঘোষণাৰ ১ ঘন্টাৰ ভিতৰত ৬০০০ (ছয় হেজাৰ) টকা মাছুলসহ জমা দি আবেদন কৰিব লাগিব।

২৬/ ১৬-১০-২০২৬ তাৰিখে শুক্ৰবাৰে দিনৰ ১ বজাৰ পৰা ভোট গণনা আৰম্ভ হ'ব।

২৭/ নিৰ্বাচনী প্ৰচাৰ অথবা নিৰ্বাচনৰ ফলাফলৰ পিছত কোনো প্ৰাৰ্থীয়ে মহাবিদ্যালয়ৰ চৌহদত সমদল বাহিৰ কৰিব নোৱাৰিব আৰু আতচবাজী ব্যৱহাৰ কৰিব নোৱাৰিব।

২৮/ মৰিগাঁও মহাবিদ্যালয় (স্বায়ত্বশাসিত) ৰ ছাত্ৰ-ছাত্ৰীৰ বাহিৰে অন্য কোনো লোকে মহাবিদ্যলয়ৰ চৌহদত নিৰ্বাচনী প্ৰচাৰ চলাব নোৱাৰিব।

২৯/ প্ৰাৰ্থীৰ ক্ষেত্ৰত কোনো ৰাজনৈতিক দলৰ প্ৰত্যক্ষ বা পৰোক্ষ প্ৰভাৱ থাকিব নোৱাৰিব।

৩০/ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব বিচৰা ছাত্ৰ-ছাত্ৰীৰ বয়স ২৪ বছৰৰ বেছি হ'ব নালাগিব।

৩১/ এজন প্ৰতিদ্বন্দ্বিয়ে নিৰ্বাচনত কেৱল এটা পদতহে প্ৰতিদ্বন্দ্বিতা কৰাৰ সুবিধা পাব।

৩২/ নিৰ্বাচনী প্ৰচাৰৰ বাবে কোনো প্ৰতিদ্বন্দ্বিয়ে ছপা কৰা গোঁহাৰি পত্ৰ বা অন্য কোনো ধৰণৰ ছপা কাগজ ব্যৱহাৰ কৰিব নোৱাৰিব।

৩৩/ এজন প্ৰস্তাৱক/ সমৰ্থকে এজনতকৈ বেছি প্ৰাৰ্থীৰ প্ৰস্তাৱক/ সমৰ্থক হ'ব নোৱাৰিব।

৩৪/ নিৰ্বাচনৰ সকলো নিয়ম নীতি ছাত্ৰ একতা সভাৰ সংবিধানৰ আধাৰত প্ৰযোজ্য হ'ব।

৩৫/ সকলো ক্ষেত্ৰতেই নিৰ্বাচনী কমিটিৰ সিদ্ধান্তই চূড়ান্ত বুলি বিবেচিত হ'ব।

৩৬/ ২০২৬-২৭ বৰ্ষৰ ছাত্ৰ একতা সভাৰ কাৰ্যকাল ২০২৭ বৰ্ষৰ চেপ্তেম্বৰ মাহত অন্ত পৰিব।

৩৭/ শিক্ষামূলক ভ্ৰমনলৈ যোৱা ছাত্ৰ-ছাত্ৰীয়ে, ১৪-১০-২০২৬ তাৰিখে দিনৰ ১ বজাৰ পৰা ৪ বজাৰ ভিতৰত পষ্টেল বেলত সংগ্ৰহ কৰি ১৫-১০-২০২৬ তাৰিখে দিনৰ ১০ ৰ পৰা ১২ বজাৰ ভিতৰত নিৰ্বাচনী কাৰ্যালয়ত জমা দিব লাগিব। শৈক্ষিক বিষয়ৰ লগত জড়িত ছাত্ৰ-ছাত্ৰীয়ে এই সুবিধা পাব।

দিগন্ত কুমাৰ নাথ 
২৯/০৯/২০২৬

ড° দিগন্ত কুমাৰ নাথ  
নিৰ্বাচন প্ৰাধিকাৰী  
ছাত্ৰ একতা সভাৰ নিৰ্বাচন  
মৰিগাঁও মহাবিদ্যালয় (স্বায়ত্বশাসিত)  
২০২৬-২৭ বৰ্ষ